**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 10-08-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
::::::::::::::::::::::::::::::::::::

১। লোকসভাত আজি ন্যায়াধীকৰণ সংস্কাৰ বিধেয়ক ২০২৬ গৃহীত হয়।

২। হৰ ঘৰ তিৰংগা অভিযানে দেশৰ সমূহীয়া শক্তি, নাগৰিকৰ একতা আৰু বিকশিত ভাৰত গঢ়াৰ প্ৰচেষ্টাক প্ৰতিফলিত কৰে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

৩। শেহতীয়া ছাত্ৰ প্ৰতিবাদ আৰু ইয়াৰ লগত সংগতি থকা বিষয়সমূহ সংসদত বিতংভাৱে আলোচনা কৰিবলৈ চৰকাৰ সাজু বুলি কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি প্ৰকাশ কৰিছে। ***আৰু***

৪। অসমৰ শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট, আৰু গোলাঘাট জিলাত কালিৰ পৰা ক্ষয়-ক্ষতিৰ জৰীপ কৰা হৈছে।

০০০০

লোকসভাত আজি ন্যায়াধীকৰণ সংস্কাৰ বিধেয়ক ২০২৬ গৃহীত হয়। দুপৰীয়া ২ বজাত সদন পুনৰ মিলিত হোৱাৰ পাছত বিৰোধীৰ হুলস্থুলৰ মাজতে আইন আৰু ন্যায় দপ্তৰৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে ন্যায়াধীকৰণ সংস্কাৰ বিধেয়ক ২০২৬ উত্থাপন কৰে। এই বিধেয়কৰ জৰিয়তে ন্যায়াধীকৰণৰ প্ৰশাসনীয় কাম-কাজ শক্তিশালী কৰাৰ উপৰিও ন্যায়াধিকৰণৰ অধ্যক্ষ আৰু সদস্যসকলৰ নিযুক্তিৰ ক্ষেত্ৰত স্বচ্ছতা আৰু সামঞ্জস্য বৰ্তাই ৰখাৰ লক্ষ্য লোৱা হৈছে। এই বিধেয়কৰ জৰিয়তে ৰাষ্ট্ৰীয় ন্যায়াধিকৰণ আয়োগ গঠনৰো প্ৰস্তাৱ দিয়া হৈছে। শ্ৰীমেঘৱালে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন খণ্ডত প্ৰৱৰ্তন কৰা সংস্কাৰ অভিযানৰ অংশ হিচাপে এই বিধেয়কখন উত্থাপন কৰা হৈছে। তেওঁ কয়, যে ন্যায়াধীকৰণৰ উদ্দেশ্য আদালতত স্থান দখল কৰাই নহয়, বৰঞ্চ আধুনিক শাসন ব্যৱস্থাত পৰিপূৰক হিচাপে কাম কৰা। এই বিধেয়কে আধুনিক স্বতন্ত্ৰ আৰু সম ন্যায়াধীকৰণ পৰিবেশতন্ত্ৰ স্থাপন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেঁও লগতে কয়, যে এই বিধেয়কখনৰ লক্ষ্য হৈছে শাসন ব্যৱস্থা, নিযুক্তি, প্ৰতিষ্ঠানসমূহৰ স্বাধীনতা, স্বচ্ছতা আৰু দক্ষতা শক্তিশালী কৰা।

বাইট-মেঘৱাল

বিৰোধীৰ হুলস্থুলৰ মাজতে ন্যায়াধীকৰণ সংস্কাৰ বিধেয়ক ২০২৬ আলোচনা নোহোৱাকৈয়ে গৃহীত হয়। সেই সময়ত সদন পৰিচালনাৰ দায়িত্বত থকা বিষয়া জগদম্বিকা পালে প্ৰতিবাদকাৰী সদস্যসকলক নিজৰ আসন গ্ৰহণ কৰিবলৈ বাৰে বাৰে অনুৰোধ কৰে। তেওঁ কয়, যে সমগ্ৰ দেশে লোকসভাৰ কাম-কাজ নিৰীক্ষণ কৰি আছে। সদন আলোচনাৰ বাবেহে। কিন্তু আৰম্ভণিৰে পৰা বিৰোধী সদস্যসকলে সদনত বাধাৰ সৃষ্টি কৰি আহিছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয়, যে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ইতিমধ্যে তেওঁলোকৰ দাবীসমূহ মানি লৈছে আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ছাত্ৰ প্ৰতিবাদৰ সৈতে জড়িত বিষয় সন্দৰ্ভত বিবৃতি দিবলৈ সাজু হৈছে। বিৰোধীৰ হুলস্থুল অব্যাহত থকাৰ মাজতে অধ্যক্ষই কাইলৈ পুৱা এঘাৰ বজালৈ সদন স্থগিত ঘোষণা কৰে।

ইয়াৰ পূৰ্বে দিনৰ ১২ বজাত কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে সদনত খনি আৰু খনিজ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) সংশোধনী বিধেয়ক, ২০২৬ উত্থাপন কৰে। ইয়াৰ জৰিয়তে ১৯৫৭ চনৰ খনি আৰু খনিজক উন্নয়ন আৰু নিয়ামক আইনৰ সংশোধনী বিচৰা হৈছে। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে কেৰালা নাম পৰিৱৰ্তন বিধেয়ক ২০২৬ উত্থাপন কৰে। এই বিধেয়কৰ উদ্দেশ্য হৈছে কেৰালাৰ নাম সলনি কৰা। আনহাতে, সমবায় দপ্তৰৰ ৰাজ্যমন্ত্ৰী মুৰলীধৰ মহলে আজি ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম (সংশোধনী) বিধেয়ক ২০২৬ উত্থাপন কৰে। ইয়াৰ জৰিয়তে ১৯৬২ চনৰ ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম আইনৰ সংশোধনীৰ প্ৰস্তাৱ দিয়া হৈছে।

ইয়াৰ পাছতে সদন পৰিচালনাৰ দায়িত্বত থকা বিষয়া সন্ধ্যা ৰায়ে প্ৰতিবাদকাৰী বিৰোধী দলৰ সদস্যসকলক নিজৰ আসনলৈ গৈ সদনৰ কাম সুকলমে পৰিচালনাত সহায় কৰিবলৈ আহ্বান জনায়। বিৰোধী সদস্যসকলে নীটৰ বিষয়ক লৈ প্ৰতিবাদকাৰী শিক্ষাৰ্থীৰ ওপৰত আৰক্ষীৰ ভূমিকা সন্দৰ্ভত গৃহমন্ত্ৰী অমিত শ্বাহৰ বিবৃতি বিচাৰি হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত লোকসভা মিলিত হোৱাৰ সময়ত সদন পৰিচালনাৰ দায়িত্ব থকা বিষয়া এন কে প্ৰেমচন্দ্ৰনে প্ৰশ্নকাল আৰম্ভ কৰাৰ চেষ্টা চলায় যদিও বিৰোধী পক্ষৰ সদস্যসকলে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ সময়ত আৰক্ষীৰ ভূমিকাৰ বিষয়টো উত্থাপন কৰে। বিৰোধী সদস্যসকলে এই সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ পৰা এটা বিবৃতিৰ দাবী জনায়। ইয়াৰ পাছতো হুলস্থূলীয়া পৰিৱেশ বাহাল থকাত শ্ৰীপ্ৰেমচন্দ্ৰনে দুপৰীয়া ১২ বজালৈ সদন স্থগিত ঘোষণা কৰে।

০০০০

হৰ ঘৰ তিৰংগা অভিযানে দেশৰ সমুহীয়া শক্তি, নাগৰিকৰ  একতা আৰু বিকশিত ভাৰত গঢ়াৰ প্ৰচেষ্টাক প্ৰতিফলিত কৰে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত এটা পোষ্টযোগে শ্ৰীশ্বাহে কয়, যে এইবছৰ বন্দে মাতৰমৰ ১৫০ বছৰীয়া জয়ন্তীৰ লগত সংগতি ৰাখি আয়োজন কৰা এই অভিযানে প্ৰতিগৰাকী দেশপ্ৰেমিকৰ হৃদয়ক স্পৰ্শ কৰিছে। ত্ৰিৰংগ  যাত্ৰা আৰু বন্দে মাতৰম পৰিবেশনৰে এই অভিযানত সকলোকে অংশগ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আহ্বান জনাইছে। তেওঁ লগতে ত্ৰিৰংগ পতাকা উত্তোলন কৰি হৰ ঘৰ তিৰংগা ডট কমত  ছেলফি আপলোড কৰিবলৈও জনসাধাৰণক আহ্বান জনায়।

০০০০

ৰাজ্যসভাই বেংকাৰ বুক এভিডেন্স বিল অৰ্থাৎ বেংক সাক্ষ্য বিধেয়ক ২০২৬ বিবেচনা আৰু গৃহীত কৰাৰ বাবে গ্ৰহণ কৰিছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতৰমনে এই বিধেয়কখন উত্থাপন কৰিছিল।  ইতিমধ্যে লোকসভাত এই বিধেয়কখন গৃহীত হৈছে। বেংকৰ বহী সম্পৰ্কীয় সাক্ষ্যৰ বাবে আইন প্ৰস্তুত কৰা আৰু ইয়াক বৰ্তমানৰ ডিজিটেল বেংকিং প্ৰথা অনুযায়ী আইন প্ৰনয়ণ কৰা এই বিধেয়কখনৰ মূল্য উদ্দেশ্য। বৰ্তমানৰ বেংকিং ব্যৱস্থা পুৰণ কৰাৰ বাবে আইনী পৰিকাঠামো আধুনিক ৰূপত সজাই তোলাৰ উদ্দেশ্যে উত্থাপন কৰা বিধেয়কখনত বেংকৰ বহীৰ বৈদ্যুতিন আৰু ডিজিটেল তথ্যক  বৈধ, গ্ৰহণযোগ্য আৰু আইনীভাৱে প্ৰযোজ্য সাক্ষ্য হিচাপে অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰা হৈছে। আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ অৰুণ সিঙে কয় যে ব্ৰিটিছ্ শাসনৰ অধীনত ১৮৯১ চনত প্ৰৱৰ্তন কৰা পুৰণি আইনখন সংশোধন কৰি নতুন আইন অনা হৈছে। শ্ৰীসিঙে কয় যে এই বিধেয়কখনে ভাৰতীয় অৰ্থনীতিক মেৰুদণ্ড হিচাপে বিবেচিত বেংকিং ব্যৱস্থা অধিক উন্নত কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বেংকিং ব্যৱস্থাত এটা বৈপ্লৱিক পৰিৱৰ্তন দেখা গৈছে বুলি শ্ৰীসিঙে লগতে উল্লেখ কৰে। বিজেডিৰ মানস ৰঞ্জন মংগৰাজে বিধেয়কখনৰ উদ্দেশ্যক সমৰ্থন কৰে। তেওঁ কয় যে তথ্য সুৰক্ষা আৰু গোপনীয়তাক সৰ্বোচ্চ অধিকাৰ দিব লাগিব। যিহেতু বেংকৰ তথ্যত স্পৰ্শকাতৰ, ব্যক্তিগত আৰু বিত্তীয় তথ্য থাকে, সেয়েহে চৰকাৰে অপব্যৱহাৰ আৰু চাইবাৰ ভাবুকি ৰোধ কৰিবলৈ শক্তিশালী সুৰক্ষা ব্যৱস্থা নিশ্চিত কৰিব লাগিব বুলি শ্ৰীমংগৰাজে উল্লেখ কৰে।

ইপিনে, ৰাজ্যসভাই কৰ আৰু অন্যান্য আইন (সংশোধনী) বিধেয়ক ২০২৬ বিবেচনাৰ লগতে উভতাই পঠিয়াইছে। এই বিধেয়কখনে বিত্ত আইন ২০২৬, আয়কৰ আইন ২০২৫ আৰু আৰ্থিক লেনদেন আৰু নিষ্পত্তি ব্যৱস্থা আইনৰ সংশোধন কৰিব বিচাৰিছে। এই বিধেয়কখন এই বছৰৰ ৫ জুনত জাৰি কৰা আয়কৰ সংশোধনী অধ্যাদেশ ২০২৬ ৰ সলনি ব্যৱহাৰ কৰিবলৈ উত্থাপন কৰা হৈছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই বিধেয়কখন উত্থাপন কৰে।

০০০০

শেহতীয়া ছাত্ৰ প্ৰতিবাদ আৰু ইয়াৰ লগত সংগতি থকা বিষয়সমূহ সংসদত বিতংভাৱে আলোচনা কৰিবলৈ চৰকাৰ সাজু বুলি কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি প্ৰকাশ কৰিছে। এই সন্দৰ্ভত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ সম্পূৰ্ণ সাজু বুলি উল্লেখ কৰি শ্ৰীৰিজিজুৱে কয় যে দেশৰ জনসাধাৰণৰ তথ্যসমূহ জনাৰ সম্পূৰ্ণ অধিকাৰ আছে। সদনত বিৰোধী শান্তি শৃংখলা অব্যাহত ৰাখি সদনৰ কাম-কাজত ব্যাঘাত কৰাৰ পৰা বিৰত থাকিবলৈ শ্ৰীৰিজিজুৱে আহ্বান জনায়। তেওঁ লগতে কয়, যে চৰকাৰ কেতিয়াও সংসদৰ বিতৰ্কক আওকান কৰা নাই।

০০০০

অসমৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১০ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত আছে। বানত ৪৫৬ খন গাঁৱৰ ১ লাখ ৩৭ হাজাৰ ৫৯০ জন লোক প্ৰভাৱিত হোৱাৰ লগতে ১১ হাজাৰ ৯৩৩ দশমিক ৪-৬ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বানত সম্প্ৰতি মৃত্যু হোৱা লোকৰ সংখ্যা ১০০ হৈছেগৈ।

ইপিনে ৰাজ্যত শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট, আৰু গোলাঘাট জিলাত কালিৰ পৰা ক্ষয়-ক্ষতিৰ জৰীপ কৰা হৈছে। প্ৰথম পৰ্যায়ৰ জৰীপ অহা ৩০ আগষ্টলৈ চলিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ বাসগৃহত কমনৱেল্থ গেমছ ২০২৬ৰ পদকজয়ী সকলৰ সৈতে মত বিনিময় কৰে। এই সাক্ষাৎকালত কমনৱেল্থ গেমছৰ বিজেতাসকলে প্ৰধানমন্ত্ৰীক তেওঁলোকৰ অভিজ্ঞতাৰ বিষয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে খেলুৱৈসকলক খেলো ইণ্ডিয়াৰ সন্মান বঢ়াবলৈ উৎসাহিত কৰে। ভাৰোত্তোলক সাইখম মিৰাবাই ছানুৰ সৈতে হোৱা বাৰ্তালাপত শ্ৰীমোদীয়ে কয় যে এই জয়ে ভৱিষ্যত প্ৰজন্মৰ বাবে উল্লেখযোগ্য প্ৰেৰণা হিচাপে কাম কৰিব। দেশলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে প্ৰত্যেকগৰাকী খেলুৱৈক প্ৰধানমন্ত্ৰীগৰাকীয়ে অভিনন্দন জ্ঞাপন কৰে।

বাইট-মোদী

উল্লেখযোগ্য যে গ্লাছগ'ত অনুষ্ঠিত চলিত বৰ্ষৰ কমনৱেল্থ গেমছত ১৩টা সোণ, ১৭টা ৰূপ আৰু ৯টা ব্ৰঞ্জসহ মুঠ ৩৯টা পদক জয়েৰে ভাৰত প্ৰতিযোগিতাৰ চতুৰ্থ স্থানত থাকে।

০০০০

ঃঃ সমাপ্ত ঃঃ